সাংখ্য দৰ্শনত থকা পুৰুষ সম্বন্ধীয় চমুকৈ আলোচনা কৰা :-

সাংখ্য দৰ্শনৰ দ্বিতীয় তত্ত্ব হল 'পুৰুষ'। এই দৰ্শনত আত্মাক পুৰুষ বুলি কোৱা হয়। সাংখ্য দৰ্শনৰ পুৰুষ প্ৰকৃতি বা কাৰণ নহয় আৰু কাৰ্যও নহয় পুৰুষ বা আত্মা অব্যক্ত প্ৰকৃতি আৰু পৃথক। পুৰুষ সদায় চেতন, কিন্তু এই চেতনা তাৰ আগন্তুক ধৰ্ম নহয়, বৰং স্বৰূপ ধৰ্ম। ন্যায় বৈশেষিক সকলৰ মতে চেতনা আত্মাৰ আগন্তুক ধৰ্ম। কিন্তু সাংখ্য দাৰ্শনিক সকলে অদ্বৈতবাদী সকলৰ দৰে চেতনাৰ আত্মাৰ স্বৰূপ ধৰ্ম বুলি স্বীকাৰ কৰিছে।

পুৰুষৰ অস্তিত্ব আছে :- ঈশ্বৰ কৃষ্ণ তেওঁৰ গ্ৰন্থ সাংখ্যকাৰিকাত চৈতন্য স্বৰূপে পুৰুষৰ অস্তিত্ব প্ৰমাণ কৰিছে। ঈশ্বৰ কৃষ্ণই আগবঢ়োৱা যুক্তি সমূহ হল

1. সংঘাত পৰাৰ্থত্বাৎ :- সংঘাত স বা সংহত বস্তু মাত্ৰই আনৰ প্ৰয়োজনৰ উদ্দেশ্য সাধন কৰে। যিকোনো বস্তু একাধিক উপাদানৰ সমন্বয়জনিত হৈ সেইকোনো বস্তুৱেই হৈছে সংঘাত।

2. ত্ৰিগুণাদিবিপৰ্যয়াৎ :- ত্ৰিগুণাদিবিপৰ্যয় বুলিলে ত্ৰিগুণৰ অভাৱ বা ত্ৰিগুণৰ শূন্যতাক বুজায়। অব্যক্ত প্ৰকৃতি আৰু ব্যক্ত কাৰ্যসমূহ ত্ৰিগুণাত্মক। অব্যক্ত প্ৰকৃতি আৰু ব্যক্ত কাৰ্য সমূহৰ পৰা আনিকাৰ লোকে বিপৰীত নিৰ্গুণ, অপৰিণামী, চেতন পুৰুষৰ অস্তিত্ব সিদ্ধ হয়।

3. অধিষ্ঠানাৎ :- আমাৰ মৌলিক লৌকিক জ্ঞান, সুখ-দুখৰ অভিজ্ঞতা, বুদ্ধি, অহংকাৰ আদি মনস্তাত্ত্বিক সকলো চিত্তবৃত্তিয়ে এক জ্ঞাতাৰ মাজে নিৰ্দেশ কৰে, যি সমস্ত জ্ঞান আৰু অভিজ্ঞতাৰ অধিষ্ঠান। এই জ্ঞাতাই আমাৰ সকলো জ্ঞান, সকলো চিত্তবৃত্তিক প্ৰকাশিত কৰি একোতাৰ জোলেৰে বান্ধি ৰাখে।

4. পুৰুষোহস্তি ভোক্তৃভাবাৎ : প্ৰকৃতি আৰু তাৰ কাৰ্যসমূহ জড় হোৱা কাৰণে সেইবোৰ ভোগ্য কোনো জড় বা অচেতন দ্ৰব্যৰ পক্ষে নিজে নিজকে ভোগ কৰা সম্ভৱ নহয়। সকলো জড় চৰাই সুখ, দুখ আৰু মোহ উৎপন্ন কৰে। গতিকে এই সুখ, দুখ বা মোহৰ ভোগ কৰাৰ বিবা এটা সত্তা থাকিব লাগিব।

5. কৈবল্যাৰ্থং প্ৰৱৰ্তেশ্চ :- সৰ্বশেষত, কৈবল্য অৰ্থাৎ মোক্ষ লাভৰ প্ৰবৃত্তিৰ পৰাও পুৰুষৰ অস্তিত্ব সিদ্ধ হয়। 'কৈবল্য'ৰ অৰ্থ হল দুখৰ অত্যন্তিক নিবৃত্তি। দুখময় জগতখন প্ৰকৃতিৰে অভিব্যক্ত, গতিকে প্ৰকৃতিৰ দ্বাৰা মোক্ষ লাভ কৰিব নোৱাৰি।